NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

0000000

১। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি মহাৰাষ্ট্ৰৰ পৰভণীত এখন নিৰ্বাচনী সভা সম্বোধন কৰে।

২। লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্য্যায়ৰ ভোটগ্ৰহণৰ অন্তত বাকীকেইটা পৰ্য্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা তথা বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে বিজেপি চৰকাৰ বদ্ধপৰিকৰ বুলি প্ৰকাশ কৰিছে।

৪। ভাৰতৰ ৱিনেশ ফোগাট, অংশু মালিক, ৰীতিকা আৰু মানসীয়ে কিৰ্গিস্তানৰ বিছকেকত অনুষ্ঠিত এছীয় অলিম্পিক কোৱালিফায়াৰ প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত নতুন দিল্লীত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি মহাৰাষ্ট্ৰৰ পৰভণীত এখন নিৰ্বাচনী সভা সম্বোধন কৰে। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত সবকা সাথ-সবকা বিকাশ মন্ত্ৰৰে সৰ্বাত্মক উন্নয়নৰ প্ৰতি এন ডি এ চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাত জোৰ দিয়ে। তেওঁ সীমান্তৰে চলা সন্ত্ৰাসবাদৰ অৱসানৰ লগতে ভৱিষ্যতৰ প্ৰগতিৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে। চৰকাৰে দৰিদ্ৰতা দূৰীকৰণৰ বাবে সক্ৰিয়ভাৱে কাম কৰি আছে আৰু ৰেচনৰ উচিত বিতৰণ সুনিশ্চিত কৰিছে বুলি শ্ৰীমোদীয়ে জনসাধাৰণক আশ্বাস প্ৰদান কৰে। শ্ৰীমোদীয়ে তৃতীয়টো কাৰ্য্যকালৰ বাবে নিৰ্বাচিত হ'লে আধৰুৱা প্ৰকল্পসমূহ অব্যাহত ৰখাৰ আৰু সম্পূৰ্ণ কৰাৰ সংকল্প লয়। তেওঁ কয় যে, পৰভণীত ৰূপায়ণ হৈ থকা ১৭ টা জনৌষধি কেন্দ্ৰৰ জৰিয়তে ৰেহাই দৰত ঔষধ প্ৰদান, উজ্বলা

যোজনাৰ মাধ্যমেৰে ২৫ হাজাৰৰো অধিক মহিলাৰ হিত সাধন আৰু ৯ লাখৰো অধিক পশুধনক প্ৰতিষেধক প্ৰদানৰ লেখিয়া উদ্যমসমূহে চৰকাৰৰ কল্যাণমুখী প্ৰচেষ্টাকে প্ৰতিফলিত কৰে।

পূৰ্বৰ কংগ্ৰেছ চৰকাৰসমূহে মাৰাথৱাড়াৰ ছয়াবিন, মিলেট আৰু জোৱাৰৰ লেখিয়া শস্য আধাৰিত অৰ্থ-ব্যৱস্থাৰ প্ৰতি আওকাণ কৰা বুলি প্ৰধানমন্ত্ৰীয়ে অভিযোগ তোলে। তেওঁ খেতিয়কৰ বাবে জলযুক্ত চিৰাৰ আঁচনিৰ প্ৰণয়ন আৰু পৰভণীৰ নামনি দুধানা জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ কৰাৰ দৰে এন ডি এ চৰকাৰৰ বিভিন্ন প্ৰচেষ্টাৰ কথা উল্লেখ কৰে। অমৰাৱতীত নিৰ্মাণ কৰিবলগীয়া বস্ত্ৰ উদ্যানৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, উদ্যানখনে পৰভণীৰ খেতিয়কসকলক উপকৃত কৰিব।

প্ৰধানমন্ত্ৰীয়ে অবিৰত উন্নয়নৰ বাবে এন ডি এ মিত্ৰজোটক সমৰ্থন কৰিবলৈ ভোটদাতাসকলৰ প্ৰতি আহ্বান জনায়। পৰভণী সংসদীয় সমষ্টিত দ্বিতীয় পৰ্য্যায়ত ২৬ এপ্ৰিলৰ ভোটগ্ৰহণ কৰা হ'ব। এন ডি এ মিত্ৰজোটৰ মহাদেৱ জানকৰ আৰু মহা বিকাশ অঘাৰীৰ সঞ্জয় ওৰফে বন্দু যাদৱে এই আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা দেবেন্দ্ৰ ফাড়নবিচ, ৰিপাব্লিক এণ্ড পাৰ্টী অৱ ইণ্ডিয়াৰ সভাপতি ৰামদাস আথাৱালে, ভাগৱত কাৰাড আৰু মিত্ৰজোটৰ আন কেইবাগৰাকীও নেতা নিৰ্বাচনী সভাত উপস্থিত থাকে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্য্যায়ৰ ভোটগ্ৰহণৰ অন্তত বাকীকেইটা পৰ্য্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে দেশৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সভা আৰু ৰোডশ্ব'ত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি কৰ্ণাটকৰ চিকবল্লাপুৰ  সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুধাকৰ আৰু জে ডি এছৰ প্ৰাৰ্থী মল্লেশ বাবুৰ হকে চিকবল্লাপুৰত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰৰ নীতিসমূহৰ পৰা অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ লোকসকল উপকৃত হৈছে। তেওঁ লগতে ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা মুক্ত হোৱা বুলি উল্লেখ কৰে। শ্ৰীমোদীয়ে কয় যে, উচ্চশিক্ষাৰ ক্ষেত্ৰত অনুসূচিত জাতিৰ বিদ্যাৰ্থীৰ নামভৰ্তি ৬৫ শতাংশ, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ শিক্ষাৰ্থীৰ নামভৰ্তি ৪৫ শতাংশ বৃদ্ধি পাইছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, বিজেপি চৰকাৰে আত্ম-সহায়ক গোটসমূহৰ প্ৰতি সমৰ্থন আগবঢ়াই আহিছে, ১ কোটি লাখপতি বাইদেউৰ সৱলীকৰণ সুনিশ্চিত কৰিছে আৰু সমবায় খণ্ডৰ সম্প্ৰসাৰণৰ জৰিয়তে খেতিয়কসকলৰ হিত সাধন কৰিছে। আই এন ডি আই মিত্ৰ জোটৰ কোনো নেতা আৰু ভৱিষ্যত পৰিকল্পনা নাই বুলি শ্ৰীমোদীয়ে অভিযোগ তোলে। নিৰ্বাচনী সভাত ভাগ লৈ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জে ডি এছৰ নেতা দেৱেগৌড়াই কয় যে, দুৰ্নীতিগ্ৰস্ত কংগ্ৰেছ চৰকাৰে ২০১৪ চনত ৰাজকোষ খালী কৰি থৈ গৈছিল। ইপিনে, কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰময়াই প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত এটা বিবৃতি জাৰি কৰিছে। তেওঁ প্ৰধানমন্ত্ৰীক সকলো ভোটদাতাক দলীয় ইস্তাহাৰৰ কিমান প্ৰতিশ্ৰুতি পূৰণ হৈছে, সেই বিষয়ে অৱগত কৰাবলৈ আহ্বান জনাইছে। তেওঁ বিজেপিৰ দলীয় ইস্তাহাৰত কৰা সূৰ্য্যঘৰ বিনামূলীয়া বিদ্যুৎ কাৰ্য্যসূচীয়ে দুখীয়া জনসাধাৰণৰ বোজা বৃদ্ধি কৰিব বুলি অভযোগ তোলে। ২০১৪ চনৰ নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰীয়ে কৰা প্ৰতিশ্ৰুতি অনুসৰি প্ৰতিখন ৰাজ্যত এতিয়াও অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান স্থাপন কৰা হোৱা নাই বুলি তেওঁ মন্তব্য কৰে।

অসমতো লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ দিন চমু  চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা অব্যাহত ৰাখিছে। দ্বিতীয় পৰ্যায়ত ৰাজ্যখনত ৫ টা সমষ্টি- দৰং-ওদালগুৰি,

কৰিমগঞ্জ, ডিফু, শিলচৰ আৰু নগাওঁ সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হব। এই পৰ্য্যায়ত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত সমষ্টিসমূহৰ বিভিন্ন স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে। আজি ৰাজ্যৰ জ্যেষ্ঠ বিজেপি নেতা তথা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এন ডি এৰ মনোনীত প্ৰাৰ্থী কৃপানাথ মাল্লাৰ হৈ কৰিমগঞ্জ, বৰখলা, ধলাই আৰু হাইলাকান্দিকে ধৰি বৰাক উপত্যকাৰ বিভিন্ন ঠাইত কেইবাখনো নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

আনহাতে, নগাঁও সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে ৰহা বিধানসভা সমষ্টিৰ কচুৱা তিনিআলিত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ সন্ধিয়া শিলচৰত এন ডি এৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যৰ হৈ প্ৰচাৰ চলাব।

কেৰালাতো প্ৰচাৰ অভিযান তুংগত উঠিছে। ৰাজ্যখনৰ ২০ খন লোকসভা আসনৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। তামিলনাডুৰ বিজেপি নেতা বিজয় ধাৰণীয়ে আজি তিৰুৱনন্তপুৰমৰ এন ডি প্ৰাৰ্থী তথা কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰৰ হকে অনন্তপুৰীত মহিলা সন্মিলনক সম্বোধন কৰে।

ইউ ডি এফৰ প্ৰচাৰ অভিযানৰ অংশ হিচাপে অখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধীয়ে চালকুদি লোকসভা সমষ্টিৰ ইউ ডি এফ প্ৰাৰ্থী বেন্নি বেহননৰ হকে প্ৰচাৰ চলায়। ইফালে, মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টীৰ প'লিট ব্যুৰ'ৰ সদস্য বৃন্দা কাৰাটে আজি ত্ৰিশূৰৰ কেইবাখনো নিৰ্বাচনী সভাত ভাগ লয়। ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ডি ৰাজায়ো ৱায়নাড সংসদীয় সমষ্টিৰ এল ডি এফ প্ৰাৰ্থী অনি ৰাজাৰ হকে মনন্তআৱড়িত এখন জনসভাক সম্বোধন কৰে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ বাবে বিজেপি চৰকাৰ বদ্ধপৰিকৰ বুলি প্ৰকাশ কৰিছে। গুজৰাটৰ বাণিজ্য আৰু উদ্যোগ সংঘই আহমেদাবাদত ২০৪৭ৰ ভিতৰত বিকশিত ভাৰত গঢ়া সন্দৰ্ভত আয়োজন কৰা এটা কথোপকথন অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। শ্ৰীমতী সীতাৰমণে দুটা অংকৰ মুদ্ৰাস্ফীতিৰ লেখিয়া অতীতৰ প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰি ভাৰতৰ অৰ্থনৈতিক ৰূপান্তৰত আলোকপাত কৰে। তেওঁ লগতে বিনিয়োগ আকৰ্ষণ কৰাৰ ক্ষেত্ৰত গুজৰাটৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ লগতে বস্ত্ৰ, ৰসায়ণ, অৰ্ধ-পৰিবাহী আৰু মহাকাশ খণ্ডত ৰাজ্যখনৰ সাফল্যৰ বিষয়েও উল্লেখ কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ওড়িশাৰ ঝাৰসুগুদা জিলাৰ মহানদীত সংঘটিত নাও দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি শোক প্ৰকাশ কৰে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই নাও দুৰ্ঘটনাত বহু লোকৰ প্ৰাণ হানি হোৱাৰ বাতৰিয়ে তেওঁক মৰ্মাহত কৰিছে। তেওঁ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে এই শোকাৱহ দুৰ্ঘটনাত আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও এই মৰ্মান্তিক ঘটনাটোত গভীৰ শোক ব্যক্ত কৰে। তেওঁ শোক সন্তপ্ত পৰিয়ালসমূহলৈ সমবেদনা জ্ঞাপন কৰে আৰু আহতসকলৰ আশু আৰোগ্য লাভৰ বাবে প্ৰাৰ্থনা জনায়।

০০০০০০০

ভাৰতৰ ৱিনেশ ফোগাট, অংশু মালিক, ৰীতিকা আৰু মানসীয়ে কিৰ্গিস্তানৰ বিছকেকত অনুষ্ঠিত এছীয় অলিম্পিক কোৱালিফায়াৰ প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। ৱিনেশে আজি কম্বোদিয়াৰ প্ৰতিদ্বন্দ্বী চমানাং ডিটক পৰাস্ত কৰাৰ বিপৰীতে ২০২১ বৰ্ষৰ বিশ্ব চেম্পিয়নশ্বিপত ৰূপৰ পদক বিজেতা অংশু মালিকে কিৰ্গিস্তানৰ কলমিৰা বিলিম্বএকোৱাক কাৰিকাৰি শ্ৰেষ্ঠত্বৰ ভিত্তিত পৰাভূত কৰে। একেদৰে, ২৩ বছৰ অনুৰ্ধৰ বিশ্ব চেম্পিয়ন ৰীতিকাই চীনৰ জুৱান ৱাঙক পৰাভূত কৰি চেমি ফাইনেলত স্থান নিশ্চিত কৰাৰ বিপৰীতে মানসীয়ে কিৰ্গিস্তানৰ ইৰিণা কুজনেটছোভাক পৰাস্ত কৰি চেমি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছক ৮ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৭৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত দুটা উইকেট হেৰুৱাই ১৮০ ৰাণ কৰে। ইয়াৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৬ ৰাণ কৰে।

০০০০০০০

সমাপ্ত